2009

ASSAMESE

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

(New Syllabus)

SEVENTH PAPER

Answer questions from the Group offered by you

GROUP—A

(Sanskrit Literature)

১। (ক) "ক্বঃ সূর্যপ্রভবো বংশঃ ক্বঃ চাল্পবিষয়া মতিঃ"—উক্ত বক্তব্যত কবিয়ে অল্পমতি বুলি কাক বুজাইছে? বক্তাজনৰ কবি-প্ৰতিভা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১৫

অথবা

(খ) 'ৰঘুবংশ'ৰ তোমাৰ পাঠ্যাংশৰ আলম লৈ ৰজা দিলীপৰ বশিষ্ঠধেনু নন্দিনীৰ শুশ্ৰূষাৰ এক বিৱৰণ দিয়া।

২। (ক) 'অভিজ্ঞানশকুন্তলম্' নাটকত উপস্থাপিত দুৰ্বাসাৰ অভিশাপৰ নাটকীয় তাৎপৰ্যৰ বিষয়ে সবিশেষ আলোচনা কৰা। ১৫

অথবা

(খ) কালিদাসৰ সাহিত্যত অলংকাৰ প্ৰয়োগ সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰা।

৩। (ক) 'মৃচ্ছকটিক' নাটকত হাস্যৰস কিদৰে ৰূপায়িত হৈছে, লিখা। ১৫

অথবা

(খ) নাট্যকাৰ শূদ্ৰকৰ এটি সপ্ৰশংস আলোচনা আগবঢ়োৱা।

৪। যি কোনো চাৰিটা বিষয়ৰ চমু টোকা লিখা : ৫×৪=২০

চাৰুদত্ত ; মাধব্য ; গৰ্ভনাটক ; বিদূষক ; শকাৰ।

৫। উত্তৰ লিখা : ৩×৫=১৫

(ক) কালিদাসৰ নাট্যৰীতিৰ লক্ষণসমূহ কি কি ?

(খ) প্ৰকৰণ কাক বোলে ?

(গ) 'মৃচ্ছকটিক'ৰ বাস্তৱধৰ্মীতাৰ স্বৰূপ কেনে ?

(ঘ) 'শকুন্তলা' নাটকৰ উৎস কি আৰু কালিদাসৰ উদ্ভাৱন কোনবোৰ ?

(ঙ) 'ৰামায়ণ' আৰু 'ৰঘুবংশ'ৰ উদ্দেশ্যৰ মাজত পাৰ্থক্য কি কি ?

GROUP—B

(Pali-Prakrit-Apabhramsa Text)

৬। তলৰ যি কোনো পাঁচটা অংশ অসমীয়ালৈ অনুবাদ কৰা আৰু আঁচটনা শব্দৰ ব্যাখ্যামূলক টোকা লিখা : ৩×৫=১৫

(ক) বহুকং হি দোসং সমাজম্হি পসতি দেৱানংপ্রিয়ো প্রিয়দসি ৰাজা। অস্তি পি তু একচা সমাজা সাধুমতা দেৱানংপ্রিয়স প্রিয়দসিনো ৰাঞ্ঞো।

(খ) অনৱট্ঠিত চিত্তস্স সদ্ধমং অৱিজানতো।
পৰিপ্লৱপসাদস্স পঞ্ঞা ন পৰিপূৰতি ॥

(গ) উদকং হি নয়ন্তি নেত্তিকা উসুকাৰা নময়ন্তি তেজনং।
দাৰু নময়ন্তি তচ্ছকা অত্তানং দময়ন্তি পণ্ডিতা ॥

(ঘ) সত্তসআইং কই-বচ্ছলেণ কোডীঅ মজ্ঝআৰম্মি।
হালেণ বিৰইআইং সালংকাৰাণং গাহাণং ॥

(ঙ) বিৰহাণলো সহিজ্জই আসাবন্ধেণ বল্লহজণস্স।
এক্কগ্গাম পৱাসো মাঅ মৰণং বিসেসেই ॥

(চ) সো সট্টও ত্তি ভগ্গই দূৰং জো ণাডিআই অণুহৰই।
কিং উন পৱেসঅ বিক্খংভকাইং ণ কেৱলং দীসন্তি ॥

(ছ) কুসুমসৰাউহ ৰৱণিহি বিহি ণিম্মৱিয় গৰিট্ঠ।
তং পিক্খেৱিণু পহিয়-ণিহি গাহা ভণিয়া অট্ঠ ॥

(জ) তেং মোঞে ভলঞো নিৰাট্টি গএ জইসও তইসও কৰ্ব।
খল খেল-চ্ছল দূসিহই সূঅন পসংসই সব্ব ॥

৭। 'প্ৰাকৃত' নামটোৰ তাৎপৰ্য ব্যাখ্যা কৰি এটি টোকা লিখা। 'সাহিত্যিক প্ৰাকৃত' বুলিলে কি বুজা? এই প্ৰাকৃতবিলাকৰ লগত আধুনিক ভাৰতীয় ভাষাবোৰৰ সম্বন্ধ নিৰূপণ কৰিব পাৰিনে?

৫+৩+৪=১২

অথবা

'ধম্মপদ'ৰ ভাষা কি? এই ভাষাৰ উদ্ভৱ সম্পৰ্কে পণ্ডিতসকলে আগবঢ়োৱা অভিমত বিচাৰ কৰি এই ভাষাৰ প্ৰধান বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰা। ২+১০=১২

৮। অশোকৰ অনুশাসন বুলিলে কি বুজা? এই অনুশাসনবোৰক পৰিৱেশন ৰীতিৰে কেই ভাগত ভগাব পাৰি? অশোকৰ অনুশাসন-বোৰৰ বিষয়বস্তুৰ এটি চমু আভাস দাঙি ধৰা। ২+২+৮=১২

অথবা

'কৰ্পূৰমঞ্জৰী' কোন শ্ৰেণীৰ সাহিত্য? 'কৰ্পূৰমঞ্জৰী'ৰ ৰচকজনৰ সময় আৰু সাহিত্যকীৰ্তিৰ বিষয়ে লিখি ভাৰতীয় সাহিত্যত তেওঁৰ অৱদান সম্পৰ্কে চমুৱাই লিখা। ২+৪+৬=১২

৯। 'সন্দেশ ৰাসক'ক ভাৰতীয় দূত-কাব্যৰ নিদৰ্শন বুলিব পাৰিনে? কাব্যখনৰ দ্বিতীয় প্ৰক্ৰমৰ বিষয়বস্তু কি? নিজৰ ভাষাৰে বৰ্ণনা কৰা।

২+৮=১০

অথবা

মহাৰাষ্ট্ৰী প্ৰাকৃতৰ বৈশিষ্ট্যবোৰ কি কি? তোমাৰ পাঠ্য 'গাহাসত্তসঈ'ৰ আধাৰত বিচাৰ কৰা। ৫+৫=১০

১০। অৱহট্‌ঠ বুলিলে কি বুজা ? ইয়াৰ প্ৰধান ভাষিক বৈশিষ্ট্যবোৰ দেখুৱাই এটি চমু আলোচনা যুগুত কৰা। ২+৮=১০

অথবা

'কীৰ্ত্তিলতা'ৰ ৰচকজনৰ পৰিচয় আৰু কাব্যকৃতিসহ কাব্যখনৰ বিষয়বস্তুৰ এটি চমু আভাস দিয়া। ২+৩+৫=১০

১১। 'অপভ্ৰংশ'ৰ বিভিন্ন উল্লেখ বৰ্ণনা কৰি ভাষা হিচাপে ইয়াৰ স্থিতি আৰু সাহিত্যসম্ভাৰৰ বিষয়ে লিখা। ৯

অথবা

পালি-সাহিত্যৰ মূলাধাৰৰূপে 'ত্ৰিপিটক'ৰ অন্তৰ্গত পুথিবোৰৰ পৰিচয় দিয়া।

১২। চমু টোকা লিখা (যি কোনো তিনিটাৰ) : ৪×৩=১২

(ক) শৌৰসেনী প্ৰাকৃত

(খ) আব্দুল ৰহমান

(গ) প্ৰাকৃত-প্ৰকাশ

(ঘ) জাতক

(ঙ) মহাযান

(Old Syllabus)

FIFTH PAPER

প্ৰথমাৰ্দ্ধ

(*মূল্যাংক* : ৪০)

১৩। (ক) স্বাধীনতা-পূৰ্বৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি সমীক্ষাত্মক আলোচনা আগবঢ়োৱা। ১৪

অথবা

(খ) জোনাকী যুগৰ কবিতা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

অথবা

(গ) অসমীয়া চুটিগল্পৰ ইতিহাসত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান নিৰূপণ কৰা।

১৪। (ক) বীণা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসৰ কথাবস্তুৰ বিকাশত লোককবিতাই কিদৰে সমল যোগাইছে, ফঁহিয়াই দেখুওৱা। ১০

অথবা

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'তত্ত্বকথা'ৰ আলমত সগুণ আৰু নিৰ্গুণ তত্ত্বৰ বিষয়ে বিৱৰি লিখা।

১৫। চমু উত্তৰ লিখা (যি কোনো তিনিটা) : ২×৩=৬

(ক) অম্বিকাগিৰি ৰায়চৌধুৰীৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(খ) 'ৰহদৈ লিগিৰী' উপন্যাসৰ দুটি নাৰী চৰিত্ৰৰ নাম লিখা।

(গ) 'লীৰিক' বুলিলে কি বুজা ?

(ঘ) 'কাৰেঙৰ লিগিৰী' নাটকৰ দুটি চৰিত্ৰৰ নাম লিখা।

১৬। চমুকৈ লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) ৰহস্যবাদী কবিতা

(খ) 'বীণ বৰাগী' কবিতাত লোক-জীৱনৰ সমল

(গ) ঐতিহাসিক উপন্যাস

দ্বিতীয়াৰ্দ্ধ

(মূল্যাংক : ৪০)

১৭। (ক) নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাত বাস্তৱৰ ক্ষয়ংকৰী ৰূপ কিদৰে মূৰ্ত হৈছে, দেখুওৱা। ১৪

অথবা

(খ) আধুনিক কবিতাত অন্ধকাৰ আৰু অনুৰ্বৰ জীৱন কিদৰে ৰূপায়িত হৈছে, অসমীয়া কবিতাৰ পোহৰত বিচাৰ কৰা।

১৮। (ক) অজিৎ বৰুৱাৰ 'জেংবাই ১৯৬৩'ৰ আলমত কবিগৰাকীৰ ভাব-ভাষা-আংগিকৰ এটি বিশ্লেষণ আগবঢ়োৱা। ১০

অথবা

(খ) ৰাম গগৈৰ 'পথাৰ' কবিতাত মাৰ্ক্সীয় দৃষ্টিকোণৰ কিদৰে প্ৰতিফলন ঘটিছে, উদ্ধৃতিসহ দেখুওৱা।

অথবা

(গ) বাণীকান্ত কাকতিৰ 'পণ্ডিতৰ ভূমাস্পৃহা'ত আমিয়েলৰ জীৱনৰ কাৰুণ্য কিদৰে ঘনীভূত ৰূপত মূৰ্ত হৈছে, দেখুওৱা।

১৯। যি কোনো দুটা বিষয়ৰ ওপৰত টোকা লিখা : ৫×২=১০

(ক) চৈয়দ আব্দুল মালিকৰ গল্পৰ বৈশিষ্ট্য

(খ) 'গোলাম' গল্পৰ আধুনিকতা

(গ) 'কেঁচা পাতৰ কঁপনি'ৰ আংগিক

২০। চমু উত্তৰ দিয়া : ২×৩=৬

(ক) লক্ষ্মীনন্দন বৰাৰ দুখন গল্প সংকলনৰ নাম লিখা।

(খ) নীলমণি ফুকনৰ দুখন কাব্য সংকলনৰ নাম লিখা।

(গ) সৌৰভ কুমাৰ চলিহাৰ গল্পৰ দুটি বৈশিষ্ট্য লিখা।

★★★